প্ৰেছ বিজ্ঞপ্তি
১৯ জুলাই, ২০১৮

**আৰবিআয়ে ১০০ টকা মুদ্ৰাবৰ্গীয় নতুন আৰ্হিৰ বেংকনোট জাৰি কৰিব**

ভাৰতীয় ৰিজাৰ্ভ বেংকে অনতিপলমে ভাৰতীয় ৰিজাৰ্ভ বেংকৰ গৱৰ্ণৰ উৰজিত পেটেলৰ স্বাক্ষৰ সম্বলিত, মহাত্মা গান্ধী (নতুন) শৃংখলাত ১০০ টকা মুদ্ৰাবৰ্গৰ বেংকনোট জাৰি কৰিব। নতুন মুদ্ৰাবৰ্গৰ নোটবোৰৰ পিঠিফালে দেশৰ সাংস্কৃতিক ঐতিহ্যক প্ৰতিফলিত কৰা 'ৰাণী কী ভভ'ৰ অলংকৰণ নক্সা আছে। নোটৰ আধাৰ ৰং হৈছে পাতল বেঙুনীয়া। নোটৰ সমুখ আৰু পিঠি উভয়ফালে, সামগ্ৰিক ৰং বিন্যাসৰ সৈতে ৰিজতি খোৱাকৈ অন্যান্য আৰ্হি আৰু জ্যামিতীয় প্ৰতিদৰ্শ আছে।

পূৰ্বৰ শৃংখলাবোৰত ৰিজাৰ্ভ বেংকে জাৰি কৰা ১০০ টকা মুদ্ৰাবৰ্গৰ সকলোবোৰ বেংকনোট বৈধ মুদ্ৰা হৈ থাকিব।

স্বাভাৱিকতে যেতিয়া নতুন আৰ্হিৰ বেংকনোট প্ৰৱৰ্তন কৰা হয় বেংকিং প্ৰণালীৰ জৰিয়তে ৰাইজক বিতৰণৰ বাবে ইয়াৰ মুদ্ৰণ আৰু যোগান ক্ৰমান্বয়ে বাঢ়ি থাকিব।

মহাত্মা গান্ধী (নতুন) শৃংখলাৰ ১০০ টকা মুদ্ৰাবৰ্গৰ বেংকনোট প্ৰতিৰূপ আৰু মূল বৈশিষ্ট্যবোৰ নিম্নোক্ত ধৰণৰ-

১. প্ৰতিৰূপ






**সমুখফাল**

২. মূল বশৈষি্ট্যবোৰ

১. মুদ্ৰাবৰ্গীয় সংখ্যা 100 সহকাৰে অৰলোকী নবিন্ধন

২. মুদ্ৰাবৰ্গীয় সংখ্যা ১০০ সহকাৰে সুপ্ত প্ৰতৰিূপ

৩. মুদ্ৰাংকীয় সংখ্যা १०० দবেনাগৰীত৷

৪. কন্দ্ৰেত মহাত্মা গান্ধীৰ প্ৰতকিৃতি

৫. সুক্ষ্মাক্ষৰসমূহ RBI, भारत, INDIA আৰু 100।

৬. ৰং সলনি হোৱাকৈ भारत আৰু RBI অংকতি উইণ্ডড ধাতববৰ্জতি সুৰক্ষা সূতা; নোটখন হলেনীয়া কৰলিে সূতাডালৰ ৰং সউেজীয়াৰ পৰা নীলা হৈ পৰে৷

৭. মহাত্মা গান্ধী প্ৰতকিৃতৰি সোঁপনিে নশি্চয়তা স্বৰ্ত্ত, প্ৰতশি্ৰুতি স্বৰ্ত্ত সহ গৱৰ্ণৰৰ স্বাক্ষৰ আৰু RBI প্ৰতীক।

৮. সোঁপনিে অশোক স্তম্ভ প্ৰতীক৷

৯. মহাত্মা গান্ধী প্ৰতকিৃতি আৰু ইলক্টে্ৰটাইপ (100) ৱাটাৰমাৰ্ক৷

১০. শীৰ্ষৰ বাওঁপনিে আৰু তলৰ সোঁপনিে সৰুৰ পৰা ক্ৰমে ডাঙৰ হৈ অহা সংখ্যাসমষ্টি সহ সংখ্যা সূচী৷

১১. দৃষ্টশিক্তি অক্ষমৰ বাবে মহাত্মা গান্ধীৰ প্ৰতিকৃতি, অশোক স্তম্ভ প্ৰতীকৰ মুদ্ৰাংকন বা উথ্বিত ছাপ, অনু পাঠ 100 সহকাৰে উথ্বিত ত্ৰিকোণী চিনাক্তকৰণ চিহ্ন, সোঁ আৰু বাওঁকাষে চাৰিডাল কোণীয়া ব্লিডিং লাইন।

**পিঠিফাল**

১২. বাঁওপিনে নোটৰ ছপাবৰ্ষ

১৩. শ্লোগানসহ স্বচ্ছ ভাৰতৰ প্ৰতীক

১৪. ভাষা সূচী

১৫. ‘ৰাণী কী ভভ’ৰ অলংকৰণ নক্সা

১৪. মুদ্ৰাবৰ্গীয় १०० দেবনাগৰীত।

জোছ জে কাট্টুৰ
মুখ্য মহা প্ৰৱন্ধক

প্ৰেছ বিজ্ঞপ্তি- ২০১৮-১৯/১৭৪